NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 6-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। বিদেশ পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কোৱাড অতি উদ্ভাৱনীমূলক বুলি মত প্ৰকাশ কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ আমন্ত্ৰণ মৰ্মে মালদ্বীপৰ ৰাষ্ট্ৰপতি মহম্মদ মুইজ্জু আজি পাঁচ দিনীয়া ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হৈছে।

৩। মধ্যপ্ৰাচ্য তথা গাজাত হিংসাৰ অন্ত পেলোৱাৰ আহ্বান জনাই কালি বিশ্বৰ কেইবাখনো প্ৰধান চহৰত প্ৰতিবাদী কাৰ্যসূচী আয়োজিত হয়।

৪। মালয়েছিয়াত হবলগীয়া জোহৰ কাপৰ দ্বাদশ সংস্কৰণৰ বাবে ভাৰতীয় জুনিয়ৰ পুৰুষ হকী দলটো আজি ঘোষণা কৰা হয়।

*আৰু*

৫। ডুবাইত অনুষ্ঠিত মহিলাৰ টি-২০ বিশ্বকাপত আজি ভাৰতে পাকিস্তানৰ বিৰুদ্ধে ৬ উইকেটত জয়লাভ কৰে।

০০০০০০০০

বিদেশ পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কৈছে যে, কোৱাডে প্ৰতিষ্ঠানিক সহযোগিতাৰ সকলো গতানুগতিক আৰ্হিক উপেক্ষা কৰে আৰু এই কাৰণে কোৱাড অতি উদ্ভাৱনীমূলক হৈ পৰিছে। নতুন দিল্লীত আজি তৃতীয় কৌটিল্য অৰ্থনীতি সন্মিলনত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, সন্ধি আধাৰিত সংস্থা নোহোৱাৰ বাবে কোৱাড সুবিধাজনক হৈ উঠিছে। তেওঁ লগতে ভাৰত-প্ৰশান্ত মহাসাগৰীয় খণ্ডত কোৱাড অন্যতম মূল ব্যৱস্থা বুলি উল্লেখ কৰে। সকলো গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰৰ সৈতে ভাৰতৰ যোগাযোগৰ প্ৰয়োজনীয়তা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি ড০ জয়শংকৰে কয় যে, গোলকীয় ৰাজনীতিতো ভাৰতক এখন দায়বদ্ধ দেশ হিচাপে চোৱা হৈছে। আনহাতে বৰ্তমান সময়ত বিশ্বই সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে, বিশ্বায়নৰ স্তৰসমূহ এনে এটা পৰ্যায়ত উপনীত হৈছে যে কোনো এটা অঞ্চলৰ যিকোনো গুৰুত্বপূৰ্ণ বিষয়ক নিয়ন্ত্ৰণ কৰাটো কঠিন হৈ পৰিছে। কৌটিল্য অৰ্থনীতি সন্মিলনত প্ৰায় ১৫০ জন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় শিক্ষাবিদ তথা নীতি নিৰ্ধাৰকক একত্ৰিত কৰি ভাৰতীয় অৰ্থনীতি আৰু গোলকীয় দক্ষিণৰ অৰ্থনীতিয়ে সন্মুখীন হোৱা ভালেমান গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ আমন্ত্ৰণ মৰ্মে মালদ্বীপৰ ৰাষ্ট্ৰপতি মহম্মদ মুইজ্জু আজি পাঁচ দিনীয়া ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হৈছে। ৰাষ্ট্ৰপতি হিচাপে দায়িত্বভাৰ গ্ৰহণৰ পাছত এয়া হৈছে মুইজ্জুৰ প্ৰথমটো ভাৰত ভ্ৰমণ। এই ভ্ৰমণকালত তেওঁ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি ভাৰত চৰকাৰৰ অন্যান্য শীৰ্ষ বিষয়াসকলৰ সৈতে উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হ'ব। সন্ধিয়াৰ ভাগত বিদেশ মন্ত্ৰী এছ্ জয়শংকৰে তেওঁক সাক্ষাৎ

কৰিব। কাইলৈ ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতিগৰাকীক আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হ'ব। ৰাষ্ট্ৰপতি মুইজ্জুৱে হায়দৰাবাদ হাউছত প্ৰধানমন্ত্ৰী মোদীৰ সৈতে দ্বিপাক্ষীক আলোচনাত মিলিত হোৱাৰ পূৰ্বে ৰাজঘাটত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিব। তেওঁ লগতে মুম্বাই আৰু বেংগালুৰু ভ্ৰমণ কৰিব।

০০০০০০০

অসমত আজিৰ পৰা নিযুত মইনা আঁচনিৰ ধন বিতৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছে। গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিযুত মইনা আঁচনিৰ শুভাৰম্ভ কৰে। নৱেম্বৰ মাহৰ পৰা ডি বি টিৰ জৰিয়তে ছাত্ৰীসকলৰ বেংক একাউণ্টত ধন সোমাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, নিযুত মইনা আঁচনিৰ জৰিয়তে অসম চৰকাৰে বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি প্ৰতিৰোধৰ উদ্দেশ্যে পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিৰ জৰিয়তে পৰৱৰ্তী তিনিটা বৰ্ষত ১০ লাখ ছাত্ৰীক সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। চলিত বৰ্ষত এই আঁচনি ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে ৰাজকোষৰ ২৪০ কোটি টকা ধন ব্যয় কৰিব। নিযুত মইনা আঁচনিৰ অধীনত একাদশ শ্ৰেণীত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীয়ে মাহিলি এহেজাৰ টকাকৈ ১০ মাহৰ বাবে মুঠ ১০ হাজাৰ টকা লাভ কৰিব। একেদৰে স্নাতক প্ৰথম বৰ্ষত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক ৰাজ্য চৰকাৰে ১০ মাহৰ বাবে এহেজাৰ ২৫০ টকাকৈ প্ৰদান কৰিব। আনহাতে স্নাতকোত্তৰ পাঠ্যক্ৰম তথা বি. এডত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক এই আঁচনিৰ অধীনত ১০ মাহৰ বাবে মাহিলি দুহেজাৰ ৫০০ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰা হ'ব।

০০০০০০০

নিৰ্বাচন আয়োগে প্ৰকাশ কৰা চূড়ান্ত তথ্য অনুসৰি হাৰিয়ানাত ৬৬ দশমিক ৯-৬ শতাংশ ভোটগ্ৰহণ সম্পন্ন হৈছে। ইয়াৰ ভিতৰত ফতেহাবাদ জিলাত সৰ্বাধিক ৭৪ দশমিক ৫-১ শতাংশ ভোটগ্ৰহণ সম্পন্ন হোৱাৰ বিপৰীতে ফৰিদাবাদ জিলাত সৰ্বনিম্ন ৫৫ দশমিক ৪-৬ শতাংশ ভোটগ্ৰহণ সম্পন্ন হৈছে। ৰাজ্যখনত পৰহিলৈ ভোটগণনা কৰা হ'ব। ভোটগ্ৰহণ সম্পন্ন হোৱাৰ পাছত ই ভি এম সমূহ কঠোৰ নিৰাপত্তাৰ মাজত ৰখা হৈছে। সাধাৰণ পৰ্যৱেক্ষকৰ উপস্থিতিত ই ভি এম সমূহ ষ্ট্ৰং ৰুমত ৰখাৰ অন্তত কোঠাসমূহ ছীল কৰা হয়। এই সময়ত বিভিন্ন ৰাজনৈতিক দলৰ নেতাও উপস্থিত থাকে। মুখ্য নিৰ্বাচনী বিষয়া পংকজ আগৰৱালে সদৰী কৰা অনুসৰি ই ভি এম সমূহ তিনি তৰপীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত ৰখা হৈছে। ই ভি এম সমূহৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে হাৰিয়ানা আৰক্ষীৰ উপৰি অৰ্ধ-সামৰিক বাহিনী মোতায়েন কৰা হৈছে। চি চি টিভিৰ জৰিয়তে ষ্ট্ৰং ৰুমসমূহ পৰ্যৱেক্ষণ কৰা হৈছে।

০০০০০০০

উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে আজি প্ৰয়াগৰাজত মহাকুম্ভ ২০২৫ৰ নতুন বহুৰঙী প্ৰতীক উন্মোচন কৰে। এই প্ৰতীকে ধৰ্মীয় আৰু অৰ্থনৈতিক সমৃদ্ধিৰ লগতে সাগৰ মন্থনত উৎপত্তি হোৱা পৱিত্ৰ অমৃত কলহক চিহ্নিত কৰিছে। এই প্ৰতীকটোত সনাতন সভ্যতাৰ প্ৰকৃতি আৰু মানৱতাৰ সংগমক প্ৰতিনিধিত্ব কৰা এটা মন্দিৰ, ঈশ্বৰৰ দূত, এটা কলহ, অক্ষয়বট গছ আৰু হনুমানৰ প্ৰতিমূৰ্তি আছে। তদুপৰি প্ৰতীকটোক আত্মসচেতনতা আৰু জনকল্যাণৰ অবিৰত ধাৰাক প্ৰতিফলিত কৰা হৈছে।

উল্লেখযোগ্য যে, ইউনেস্কোৰ দ্বাৰা **মানৱতাৰ বিমূৰ্ত সাংস্কৃতিক ঐতিহ্য** হিচাপে স্বীকৃতিপ্ৰাপ্ত কুম্ভ মেলাক বিশ্বৰ সৰ্ববৃহৎ শান্তিপূৰ্ণ তীৰ্থ যাত্ৰীৰ সমাৱেশ হিচাপে গণ্য কৰা হয়।

०००००००

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

ইজৰাইলত হামাছ আক্ৰমণৰ বৰ্ষপূৰ্তি ওচৰ চপাৰ লগে লগে মধ্যপ্ৰাচ্য তথা গাজাত হিংসাৰ অন্ত পেলোৱাৰ আহ্বান জনাই কালি বিশ্বৰ কেইবাখনো প্ৰধান চহৰত প্ৰতিবাদী কাৰ্যসূচী আয়োজিত হয়। পেলেষ্টাইনৰ হেজাৰ হেজাৰ সমৰ্থকে ছেণ্ট্ৰেল লণ্ডন, পেৰিছ, ৰোম, মেনিলা, কেপটাউন তথা নিউয়ৰ্ক মহানগৰত সমদল উলিয়ায়। উল্লেখযোগ্য যে বিগত বৰ্ষৰ ৭ অক্টোবৰত হামাছৰ আক্ৰমণত এহেজাৰতকৈও অধিক ইজৰাইলী নাগৰিক নিহত হোৱাৰ লগতে কেইবাশ লোকক বন্দী কৰা হৈছিল। ইয়াৰ প্ৰত্যুত্তৰত ইজৰাইলৰ সেনা বাহিনীয়ে গাজাত চলোৱা আক্ৰমণত ৪২ হাজাৰ পেলেষ্টাইনী নাগৰিক নিহত হোৱাৰ লগতে প্ৰায় ২৩ লাখ লোকে নিজ বাসস্থান এৰি অন্য স্থানলৈ যাবলৈ বাধ্য হয়। তদুপৰি গাজাত খাদ্য সংকটেও দেখা দিয়ে।

ৰোমত আৰক্ষীয়ে কালি প্ৰতিবাদকাৰীসকলৰ মাজত কন্দুৱা গেছ প্ৰয়োগ কৰে। বাৰ্লিনত প্ৰতিবাদকাৰী আৰু আৰক্ষীৰ মাজত সংঘৰ্ষৰ সৃষ্টি হয়। ইপিনে আন একাংশ লোকে বৰ্ধিত ইহুদী বিদ্বেশ সন্দৰ্ভত উদ্বীগ্নতা প্ৰকাশ কৰে। ইজৰাইলৰ কাৰ্যপন্থা বিশ্বজুৰি সমালোচিত হোৱাৰ বিপৰীতে আমেৰিকা যুক্তৰাষ্ট্ৰ তথা ইয়াৰ মিত্ৰ ৰাষ্ট্ৰসমূহে ইজৰাইলৰ আত্মৰক্ষাৰ অধিকাৰৰ প্ৰতি সমৰ্থন জনায়।

০০০০০০০

মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দে আজি মুম্বাইৰ ছেমবুৰৰ অগ্নিকাণ্ড সংঘটিত স্থান পৰিদৰ্শন কৰি নিহতসকলৰ নিকতাত্মীয়লৈ ৫ লাখ টকাৰ এককালীন সাহায্য ঘোষণা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে, চৰকাৰে এই দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত দুগৰাকী লোকক বিনামূলীয়াকৈ চিকিৎসা প্ৰদান কৰিব। উল্লেখযোগ্য যে, ছেমবুৰ অঞ্চলৰ এটা দুমহলীয়া ঘৰৰ প্ৰথম মহলাত আজি জুই লগাৰ ফলত তিনিটা নাবালককে ধৰি একেটা পৰিয়ালৰে ৭ জন লোকৰ মৃত্যু হয়। এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰি ৰাজ্যখনৰ মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰশাসনে ঘটনাৰ তদন্ত কৰিব আৰু ভৱিষ্যতে যাতে এনে ধৰণৰ ঘটনা পুনৰ সংঘটিত নহয়, তাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব।

০০০০০০০

মালয়েছিয়াত হবলগীয়া জোহৰ কাপৰ দ্বাদশ সংস্কৰণৰ বাবে ভাৰতীয় জুনিয়ৰ পুৰুষ হকী দলটো আজি ঘোষণা কৰা হয়। আমিৰ আলিক দলটোৰ অধিনায়ক হিচাপে নিযুক্তি দিয়াৰ বিপৰীতে ৰোহিত ভাইছক উপ অধিনায়ক ঘোষণা কৰা হয়। উল্লেখযোগ্য যে ভাৰতীয় দলটোৱে ১৯ অক্টোবৰত জাপানৰ বিৰুদ্ধে খেলত অৱতীৰ্ণ হৈ প্ৰতিযোগিতাখনত যাত্ৰা আৰম্ভ কৰিব। ইয়াৰ পাছত দলটোৱে ২০ অক্টোবৰত গ্ৰেট ব্ৰিটেইন, ২২ অক্টোবৰত মালয়েছিয়া, ২৩ অক্টোবৰত অষ্ট্ৰেলিয়া আৰু ২৫ অক্টোবৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় দলটোত বিক্ৰম জিৎ সিং আৰু আলিখানক গ'লৰক্ষক হিচাপে অন্তৰ্ভুক্ত কৰাৰ বিপৰীতে অধিনায়ক আমিৰ আলী, উপ অধিনায়ক ৰোহিত, তালেম প্ৰিয়বৰ্তা, সাৰদানন্দ তিৱাৰী, সুখৱিন্দৰ আৰু আনমোল এক্কাক ডিফেণ্ডাৰ হিচাপে

অন্তৰ্ভুক্ত কৰা হৈছে । অংকিত পাল, মনমীত সিং, ৰোছন কুজুৰ, মুকেশ টপ্পো আৰু চন্দন যাদৱে মিডফিল্ডাৰ হিচাপে দলত অংশ লাভ কৰাৰ বিপৰীতে গুৰজোৎ সিং, সৌৰভ আনন্দ কুশৱাহা, দিলৱাজ সিং, আশদীপ সিং আৰু মহম্মদ কনন ডেডে ফৰৱাৰ্ড হিচাপে দলত স্থান লাভ কৰিছে ।

০০০০০০০

ডুবাইত অনুষ্ঠিত মহিলাৰ টি-২০ বিশ্বকাপত আজি ভাৰতে পাকিস্তানৰ বিৰুদ্ধে ৬ উইকেটত জয়লাভ কৰে। পাকিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ১০৫ ৰান কৰে। যোৱা শুকুৰবাৰে পাকিস্তানে ইয়াৰ প্ৰথমখন খেলত শ্ৰীলংকাৰ বিৰুদ্ধে জয়লাভ কৰাৰ বিপৰীতে ভাৰত নিউজিলেণ্ডৰ বিৰুদ্ধে প্ৰথমখন খেলত পৰাজিত হয়। আজিৰ খেলখনত জয়লাভ কৰাৰ লগে লগে হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন  ভাৰতীয় দলটোৱে প্ৰথমটো পইণ্ট অৰ্জন কৰিবলৈ সক্ষম হয়।

০০০০০০০

সমাপ্ত